কৰ্চ কোড - 505

# পৰিৱেশ অধ্যয়ন শিক্ষণ আৰু শিকনৰ পৰিকল্পনা

ব্লক - 2

গোট - 7



টোকা

## গোট - 7 ঃ পৰিৱেশ অধ্যয়ন শিক্ষণ আৰু শিকনৰ পৰিকল্পনা

# গাঁথনি

7.0 পাতনি

7.1 শিকন উদ্দেশ্য

7.2 পৰিকল্পনাৰ প্ৰয়োজনীয়তা

7.3 পৰিকল্পনাৰ স্তৰসমূহ

7.4 পৰিৱেশ অধ্যয়ন পাঠ পৰিকল্পনা

7.4.1 দৈনন্দিন পাঠটোকা

7.5. বাৰ্ষিক পাঠ পৰিকল্পনা

7.6 অগ্ৰগতি, অংশগ্ৰহণ আৰু সমল ব্যৱহাৰৰ বাবে পৰিকল্পনা

7.6.1 ছাত্ৰ-ছাত্ৰীৰ অগ্ৰগতি

7.6.2 পৰিকল্পনাত ছাত্ৰ-ছাত্ৰীৰ অংশগ্ৰহণ

7.6.3 সমলৰ পৰিকল্পনা

7.7 সামৰণি

7.8 আপোনাৰ অগ্ৰগতি নিৰীক্ষণৰ আৰ্হি উত্তৰ

7.9 পঠনৰ বাবে পৰামৰ্শাৱলী আৰু প্ৰসংগ পুথি

7.10 গোটৰ শেষ অনুশীলনী

## 7.0 পাতনি

এই গোটটোৰ আগৰ পাঠত আপুনি ফলপ্ৰসু পৰিৱেশ অধ্যয়নৰ শিক্ষণ আৰু শিকনৰ বাবে বিশেষভাৱে প্ৰয়োজনীয় বিভিন্ন শিক্ষণ-শিকন পদ্ধতি, কৌশল আদিৰ বিষয়ে শিকিলে। আপুনি শিক্ষক হিচাপে জানিলে যে বছৰ এটাত আটাইতকৈ দৰকাৰী প্ৰসংগ আৰু তথ্য হৈছে বিদ্যালয় সময়সূচী। এই দৰে আপুনি আপোনাৰ উদ্ভাৱনী চিন্তাৰে কিদৰে উদ্ভাৱনীমূলক শিক্ষণ-শিকন পদ্ধতিক শিক্ষণ শিকন সময়সূচীৰ এটা অংশ হিচাবে ল'ব পাৰিব এই বিষয়ে আপোনাৰ মনলৈ চিন্তা চৰ্চা জগাই তুলিব পাৰিব। এই গোটটোত এই বিষয়ে আলোচনা কৰিবলৈ লোৱা হৈছে।

যিকোনো সফল প্ৰক্ৰিয়াৰ ভেটি হ'ল পৰিকল্পনা। পৰিকল্পনা অবিহনে কোনো



টোকা

সফল কাম হোৱাটো সম্ভৱ নহয়। এই গোটটোত পৰিৱেশ অধ্যয়নৰ শিক্ষণ আৰু শিকনৰ বাবে ভালকৈ পৰিকল্পনাৰ কিদৰে কৰা হয় এই বিষয়ে জানিম। ইয়াৰ বাবে আমাক বাৰ্ষিক পৰিকল্পনা আৰু পাঠ পৰিকল্পনা দৰকাৰ হ'ব। এই শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ বাবে শিক্ষণ-শিকন সামগ্ৰী আৰু ছাত্ৰ-ছাত্ৰীৰ অংশগ্ৰহণৰ বাবে পৰিকল্পনা কৰাৰ প্ৰয়োজন হ'ব। আপুনি এইদৰে বিভিন্ন ছাত্ৰ-ছাত্ৰীৰ সামৰ্থ, বিশেষত্ব আৰু বিচিত্ৰতাৰ প্ৰতি লক্ষ্য ৰাখি পৰিকল্পনা প্ৰস্তুত কৰিব পাৰিব, কাৰণ প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীয়ে বিশেষ ছাত্ৰ।

## 7.1 শিকন উদ্দেশ্যসমূহ

এই গোটটো শেষ কৰাৰ পিছত, আপুনি —

- পৰিকল্পনাৰ বাবে প্ৰয়োজনীয়তাৰ বিষয়ে বৰ্ণনা কৰিবলৈ সক্ষম হ'ব।
- পৰিকল্পনাত অন্তৰ্ভুক্ত স্তৰসমূহ ব্যাখ্যা কৰিবলৈ সক্ষম হ'ব।
- পৰিৱেশ অধ্যয়নৰ বাবে দৈনিক পাঠ পৰিকল্পনা প্ৰস্তুত কৰিবলৈ সক্ষম হ'ব।
- পৰিৱেশ অধ্যয়নৰ বাবে বাৰ্ষিক পাঠ পৰিকল্পনা প্ৰস্তুত কৰিব পাৰিব আৰু অন্য বিষয়ৰ লগত ইয়াৰ সহ সম্পৰ্ক ৰক্ষা কৰিব পাৰিব।
- ছাত্ৰ-ছাত্ৰীৰ শিকন উন্নত কৰিব পাৰিব আৰু তেওঁলোকৰ অবিৰত অগ্ৰগতি আৰু উন্নতিৰ বাবে পৰিকল্পনা কৰিব পাৰিব।

## 7.2 পৰিকল্পনাৰ প্ৰয়োজনীয়তা

কিছুমান বিশেষ লক্ষ্যত উপনীত হ'বৰ বাবে এটা কাৰ্য পন্থাৰ স্তৰ সমূহ ক্ৰম অনুযায়ী প্ৰস্তুত কৰাটোৱে হৈছে পৰিকল্পনা। ফলপ্ৰসু পৰিকল্পনাৰ জৰিয়তে আপুনি প্ৰয়োজনীয় সময় বহু কমাব পাৰে আৰু লক্ষ্যত উপনীত হোৱাৰ বাবে প্ৰচেষ্টা হাতত ল'ব পাৰে। শৃংখলা সম্বন্ধীয় (desciplinary term) মতে পৰিকল্পনা হৈছে 'ব্যৱস্থাপনা কৌশল'। এটা পৰিকল্পনা, এখন মানচিত্ৰৰ নিচিনা। পৰিকল্পনাৰ জৰিয়তে আপুনি লক্ষ্যত উপনীত হ'বৰ বাবে কিমান দূৰ অগ্ৰগতি লাভ কৰিছে আৰু কিমান দূৰ আপুনি লক্ষ্যৰ পৰা আঁতৰত আছে সেই কথা জানিব পাৰিব। ক'লৈ যাব লাগিব আৰু ইয়াৰ পিছত ক'লৈ যাব এই বিষয়ে সৎ সিদ্ধান্ত লোৱাটো বৰ প্ৰয়োজনীয় বুলি আপুনি জানিব পাৰিব। আনুষ্ঠানিক শিক্ষণ-শিকন প্ৰক্ৰিয়াত পৰিকল্পনা বৰ দৰকাৰী, ই কেৱল আপোনাৰ ফলপ্ৰসুতাৰ বাবে নহয়, বৰং ই এইকাৰণেই প্ৰয়োজন যে শিক্ষণ-শিকনৰ দিনপঞ্জী অনুসৰিকৰা পৰিকল্পনাই ভাল শিকন পৰিৱেশ সৃষ্টি কৰে আৰু শিকাৰুৰ অগ্ৰগতি নিৰূপণ কৰে। এইদৰে শিক্ষাত পৰিকল্পনা সকলোতে বৰ দৰকাৰী।

আপোনাৰ প্ৰতিটো কাৰ্যৰ স্তৰবোৰ কৰোতে আপোনাৰ সময়, টকা পইচা আৰু অন্যান্য সমলৰ লগত উদ্ভৱ হোৱা সমস্যাবোৰ সমাধান কৰাৰ ক্ষেত্ৰত পৰিকল্পনা অলপ



টোকা



জটিল হয়। যিকোনো সমস্যা সমাধানৰ ক্ষেত্ৰত আপুনি সযতনে পৰিকল্পনা কৰা উচিত। সন্মুখীন হোৱা সমস্যাবোৰ আঁতৰাবলৈ বা পৰিত্যাগ কৰিবলৈ আপোনাৰ পৰিকল্পনা সমিল-মিল কৰিবলৈ বৰ সহজ আৰু আশা নকৰাকৈ অহা সমস্যাবোৰ সমাধান কৰাটো অলপ জটিল।

সমীৰে দূৰবৰ্তী শৈক্ষিক আঁচনিত শিক্ষা বিভাগত পঢ়ি আছিল। এই আঁচনিৰ অংশ হিচাপে বৃহস্পতিবাৰৰ আগতে গৃহকৰ্ম জমা দিবলগীয়া হৈছিল। তেওঁ যোৱা সপ্তাহতহে ফলডাৰ (folder)টো পাইছিল, তেওঁ গৃহকৰ্মটো প্ৰকৃততে খোলাৰ বাবে স্ময় ব্যৱস্থাপনা কৰিব পাৰিলেহেঁতেন আৰু যোৱা শুক্ৰবাৰে ঢ়িব পাৰিলেহেঁতেন।

আনকি বৰ্তমান তেওঁৰ গৃহকৰ্মৰ কাম শেষ কৰিবলৈ ছয় দিন বৰ্তমানো বাকী আছিল, তেওঁ ভাবিছিল যে যিহেতু তেওঁৰ সময় যথেষ্ট আছে, সেইবাবে তেওঁ জিৰণি লৈছিল আৰু ভাবিছিল যে সেইদিনাখন ৰাতি তেওঁ কামটো কৰিব।

আবেলি তেওঁৰ মনত পৰিছিল যে সেইদিনাখন এছিয়া ক্ৰিকেট ক্লাবৰ ফাইনেল খেল আছে। তেওঁ ভাবিছিল, যে এতিয়াও কামটো শেষ কৰিবলৈ মোৰ হাতত পাঁচ দিন আছে, গতিকে আজি ৰাতি মই খেলখন চাই লওঁ আৰু গৃহকৰ্মটো পিছত কৰিম।’

পিছদিনাখন ৰাতিপুৱা যেতিয়া তেওঁ গৃহকৰ্মটো পঢ়িছিল, তেওঁ বুজিছিল যে তেওঁক সেই সময়ত বিচাৰি পোৱাত অসুবিধা থকা কিছুমান সামগ্ৰীৰ দৰকাৰ। সেইবাবে সহায় কৰিবলৈ বন্ধু এজনক মাতিলে, কিন্তু বন্ধুজন বাহিৰলৈ গ’ল। সেইবাবে সি বৰ দুখ পাইছিল, কিন্তু সেই সময়তে তেওঁ সিদ্ধান্ত ল’লে যে তেওঁ নিজে স্থানীয় পুথিভঁৰাললৈ যাব আৰু প্ৰাসংগিক সমল সামগ্ৰী লৈ আহিব। ভাগ্যক্ৰমে তেওঁৰ বন্ধুগৰাকী মঙলবাৰে আহি পাইছিল আৰু তেওঁক সহায় কৰিছিল আৰু বৃহস্পতিবাৰৰ আগতে তেওঁ গৃহকৰ্ম জমা দিবলৈ সক্ষম হৈছিল।

যি নহওক, তেওঁ সম্পূৰ্ণ অধ্যায়টো (episode)ৰ বিষয়ে ভাবিছিল।

ঘটনাটো বুজি তলত দিয়া প্ৰশ্নবোৰৰ সম্ভৱপৰ উত্তৰবোৰ উলিয়াবলৈ চেষ্টা কৰক—

- সমীৰে অধিক সময় পাইছিল নে?
- তেওঁৰ এই অৱস্থাৰ বাবে দায়ী কোন?
- বৰ্তমানো তেওঁ অসহায়, শংকিত, আপুনি সহায় কৰিবনে? কেনেকৈ কৰিব?

আপোনাৰ কামৰ প্ৰতিটো ক্ষেত্ৰতে পৰিকল্পনা বৰ দৰকাৰী। ই আপোনাৰ যিকোনো পৰিস্থিতি বুজাত সহায় কৰিব আৰু শিক্ষণৰ সময়ত সন্মুখীন হোৱা সমস্যাবোৰ চিনাক্ত কৰা আৰু সমাধান কৰাতো সহায় কৰিব। সাধাৰণতে পৰিকল্পনাই প্ৰস্তুতি (প্ৰস্তাৱনা), প্ৰক্ৰিয়া আৰু ফলাফল এই তিনিটা ক্ষেত্ৰত প্ৰধানকৈ স্পষ্ট আভাস দিয়ে।

1) **কামৰ স্পষ্টতা ঃ** পৰিকল্পনাকাৰীয়ে আপোনাৰ সম্পূৰ্ণ কৰ্ম আঁচনিৰ পৰ্যবেক্ষণ কৰাত সহায় কৰিব পাৰে। এইদৰে আপুনি সম্পূৰ্ণ কামটো কৰিবলৈ সাজু হ’ব



টোকা

পাৰে ইয়াৰ বিভিন্ন অংশবোৰ আৰু যুক্তিবোৰ দিবলৈ সাজু হ'ব পাৰে।

2) **অনুমান ঃ** এগৰাকী শিক্ষক হিচাপে শিক্ষণ-শিকন প্ৰক্ৰিয়াত বিভিন্ন অনুমান ব্যৱহাৰ/প্ৰয়োগ কৰাৰ ক্ষেত্ৰত মতামত দিয়াৰ সুবিধা দিয়ে, ভাল পৰিকল্পনাই বাঞ্ছিত ফল পোৱাত ই সদায়েই উপযোগী হ'ব।

3) **ভৱিষ্যতৰ আশ্বাস ঃ** পৰিকল্পনাই পৰিৱেশ সম্বন্ধীয় আৰু সামাজিক দিশৰ লগত জড়িত বিভিন্ন ক্ষেত্ৰত পৰিকল্পনা কৰিবলৈ আপোনাৰ সাজু কৰিও তুলিব।

**অগ্ৰগতিৰ নিৰীক্ষণ - 1**

স্পষ্টতা দেখুৱা পৰিকল্পনাৰ তিনিটা দৰকাৰী ক্ষেত্ৰৰ নাম লিখক।

.......................................................................................................................

.......................................................................................................................

.......................................................................................................................

## 7.3 পৰিকল্পনাৰ স্তৰসমূহ

ঘণ্টা বাজিছিল। ছাত্ৰ-ছাত্ৰীবোৰ শ্ৰেণীকোঠাত সোমাইছিল। হেড মাষ্টৰে /প্ৰধান শিক্ষকে মোক, মোৰ শ্ৰেণীলৈ লৈ গৈ ছাত্ৰ-ছাত্ৰীৰ লগত পৰিচয় কৰাই দিছিল।

'তোমালোকে শুনা', তেওঁ কৈছিল—

'মি. লক্ষ্মীৰাম তোমালোকৰ শ্ৰেণী শিক্ষক হ'ব, তোমালোকে তেখেতৰ আদেশ মানি চলিবা বেয়া ব্যৱহাৰ আৰু নকৰিবা, মই তোমালোকক সাৱধান কৰি দিলোঁ।'

মই অহা ১২ মাহৰ বাবে মোৰ অধীনত থকা ছাত্ৰ-ছাত্ৰীবোৰৰ পিনে চালো, মই দেখিলো কিছুমান হাঁহি আছে, কিছুমানে চকুত টিপ মাৰি ইংগিত দিয়া দি কৰি আছে, আৰু কিছুমানে মূৰ দোঁৰাই আছিল।

দুই এজনে মোক মৌন ভাৱে আচৰিত ধৰণে ইংগিত দিয়া দি (mock wonder) কৰিবলৈ আৰম্ভ কৰিছিল বাকীবোৰে কোনো কাৰণ নোহোৱাকৈ থিয় হৈ আছিল।

মই দেখিলোঁ— এই ছাত্ৰ-ছাত্ৰীসকলকে মই শিকাব লাগিব; এইটো আচৰিত কষ্টকৰ! মই নিজেই ভাবিলে, মইয়ো নিশ্চয় সৰুতে এনেকুৱা আছিলোঁ, কিন্তু মই বুজিলো- চিন্তা কৰি লাভ নাই, মই নিজে কৈছিলো— 'মই সিহঁতক আগুৱাই লৈ যাম *"I will take them on by and by."*

মই যোৱাৰাতি প্ৰস্তুত কৰা টোকাখিনি বেগৰ পৰা উলিয়ালোঁ আৰু মই প্ৰস্তুত কৰা ধৰণে কাৰ্যকলাপৰ তালিকাত চকু ফুৰালোঁ।

**প্ৰথমে মনে মনে থকা খেল খেলিছিলোঁ ঃ** ইয়াৰ পিছত এটা সমবেত সংগীত গোৱাৰ পিচত শ্ৰেণীকোঠা পৰিষ্কাৰ পৰিচ্ছন্নতা নিৰীক্ষণ কৰিছিলোঁ আৰু শেষত ছাত্ৰ-



টোকা

ছাত্ৰীৰ লগত কিছু কথা-বতৰা পাতিছিলোঁ।

মই ছাত্ৰ-ছাত্ৰীক সুধিছিলোঁ, আহা! আমি এতিয়া মনে মনে থকা খেল খেলোঁ, যেতিয়া মই ক'ম ওঁম শান্তি। তোমালোক আটাইয়ে শান্ত হৈ থাকিবা, ইয়াৰ পিছত মই যেতিয়া দুৱাৰখন বন্ধ কৰিম, শ্ৰেণীকোঠাতো আন্ধাৰ হৈ পৰিব। যিহেতু আমি সকলোৱে মনে মনে থাকিম আমি কেৱল বাহিৰৰ আৰু আমাৰ চাৰিওপিনৰ পৰা কিছুমান শব্দহে শুনিম। এইটো এক ধৰণৰ ডাঙৰ খেল হ'ব। তোমালোকে মৌমাখিক গুণগুণনি শুনিবা, আনকি নিজে লোৱা উশাহৰ শব্দও শুনিবা। ইয়াৰ পিছত মই এটা গান গাম। তোমালোকে মাত্ৰ শুনিবা।'

মই কোৱা শেষ কৰি খেল খেলিবলৈ আৰম্ভ কৰিলোঁ। মই ক'লো— ওঁম শান্তি! মই ক'লোহে কিন্তু ছাত্ৰ-ছাত্ৰীবোৰে কথা কৈ আছিল আৰু ইজনে সিজনক ঠেলি আছিল। মই বাৰে বাৰে 'ওঁম শান্তি' বুলি ক'লোঁ, কিন্তু ছাত্ৰ-ছাত্ৰীবোৰে একো নকৰিলে। মই অসহায় বোধ কৰিলোঁ। মই সিহঁতক মনে মনে থাকিবলৈ চিঞৰি ক'বলৈ নোৱাৰিলোঁ। মই সিহঁতক বাধ্য হ'বলৈ কোবাবও নোৱাৰিলোঁ। মই খেলটো খেলি থাকিলোঁ, বন্ধ নকৰিলোঁ। মই দুৱাৰ-খিৰিকীবোৰৰ খিলিবোৰ বন্ধ কৰি দুৱাৰ-খিৰিকীবোৰ বন্ধ কৰি দিলো। কোঠাটো আন্ধাৰ হৈ পৰিল। অলপ পিছত ছাত্ৰ-ছাত্ৰীবোৰে নিজৰ খেল খেলিবলৈ আৰম্ভ কৰিছিল। কিছুমানে লাহে লাহে গুণগুণনিৰ কথা কৈছিল (*low humming noise*) কৰিছিল আৰু কিছুমানে 'মিউ মিউ' কৰিবলৈ আৰম্ভ কৰিছিল। কিছুমানে ভৰিবোৰৰে গোৰ মাৰিছিল, এজনে হাত চাপৰি মাৰিছিল, লগে লগে বাকীবোৰেও তেওঁৰ লগত যোগ দিছিল। অন্য কিছুমানে হাঁহিছিল আৰু গোটেই শ্ৰেণীটোৱে লগে লগে হাঁহিছিল। মই বৰ অপ্ৰস্তুত হৈছিলোঁ আৰু সেঁতা পৰিছিলোঁ, মই দুৱাৰ খিৰিকীবোৰ খুলি দিছিলো আৰু কিছু সময়ৰ বাবে শ্ৰেণী কোঠাৰ পৰা ওলাই আহিছিলোঁ। যেতিয়া মই পুনৰ শ্ৰেণীকোঠাত সোমালোঁ, গোটেই শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীবোৰে বহুত গোলমাল কৰিছিল। ছাত্ৰ-ছাত্ৰীবোৰে ইজনে সিজনক 'ওঁম শান্তি' বুলি চিঞৰি চিঞৰি মোৰ কথাক উপলুঙা কৰিছিল। কিছুমানে দুৱাৰৰ ছাটাৰবোৰ বন্ধ কৰিছিল।

মোৰ লিখি অনা টোকাটো ব্যৱহাৰ কৰা নহ'ল। মই ভাবিছিলোঁ শিক্ষণৰ কল্পনা কৰিবলৈ আৰু ঘৰত টোকা প্ৰস্তুত কৰিবলৈ সহজ। ব্যৱহাৰিকভাৱে এইটো আচলতে এটা টান কাম। গোলমাল আৰু অশান্তিকৰ পৰিস্থিতিত ডাঙৰ হোৱা ছাত্ৰ-ছাত্ৰীসকলক মনে মনে খেলা খেল খেলিবলৈ দিলে নহ'ব। মই এতিয়া য'ত ভুল কৰিছিলোঁ তাৰ পৰাই পুনৰ আৰম্ভ কৰিবলৈ ল'লো। প্ৰথম পদক্ষেপতে মই পিছল খালোঁ। অহাকালি মই নতুন পদ্ধতিৰে চেষ্টা কৰিম।'

'ছাত্ৰ-ছাত্ৰীসকল, 'মই ক'লোঁ— আমি আজি আৰু বেছি ক্লাছ নকৰোঁ। অহাকালি পুনৰ লগ পাম। আজি তোমালোকে অব্যাহতি পালা।

আজি দিনটো অব্যাহতি বুলি কোৱাৰ লগে লগে ছাত্ৰ-ছাত্ৰীসকলে অব্যাহতি বুলি চিঞঁৰি চিঞঁৰি শ্ৰেণী কোঠাৰ পৰা ওলাই আহিছিল। তেওঁলোকে দৌৰিছিল, জপিয়াইছিল আৰু এনেধৰণে গণ্ডগোল কৰিছিল যে অন্য শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলে



টোকা

ঘটনাটো ঘটিছে বুলি কি আচৰিত হৈছিল।'

এই ঘটনা অধ্যয়নটো Shri Gijubhai Badheka ই লিখা 'দিবাস্বপ্ন' নামৰ কিতাপখনৰ পৰা অনা হৈছে। মি. লক্ষ্মীৰাম এগৰাকী অক্লান্ত পৰিশ্ৰমী শিক্ষক আছিল আৰু শ্ৰেণীকোঠাত এটা নতুন পদ্ধতি অৱলম্বন কৰিবলৈ বিচাৰিছিল। কিন্তু তেখেতৰ প্ৰথম দিনৰ পৰিকল্পনা ব্যৰ্থ হৈছিল। দিনটোৰ শেষত 'কি ভুল হৈছিল' এই বিষয়ে ভাবিছিল।

তেওঁ নিজৰ পৰিকল্পনা ব্যৰ্থ হোৱাৰ সম্ভাব্য কাৰকবোৰৰ এখন তালিকা প্ৰস্তুত কৰিছিল। (প্ৰথম শ্ৰেণী কোঠাৰ প্ৰথম দিনটোৰ) তালিকাখনত তলত দিয়া কথাবোৰ অন্তৰ্ভুক্ত কৰা হৈছিল—

পৰিকল্পনা কৰাৰ আগতে শিক্ষকে শিকাৰু আৰু সুবিধাজনক পৰিৱেশৰ বিষয়ে আগতীয়াকৈ জানিব লাগিব।

- পৰিকল্পনা সদায় ছাত্ৰ-ছাত্ৰীৰ বয়স আৰু আগ্ৰহ অনুসৰি প্ৰস্তুত কৰিব লাগে।
- বিষয়বস্তু শিকি থাকোতে শিক্ষণ-শিকন পদ্ধতি সমানে গুৰুত্বপূৰ্ণ সেইবাবে ভাল পৰিকল্পনা এখনত, বিষয়বস্তু আৰু শিক্ষণ-শিকন পদ্ধতি দুয়োটাতে গুৰুত্ব দিব লাগে।
- এখন পাঠ পৰিকল্পনাই শিকাৰুসকলক কিছুমান প্ৰত্যাহ্বান দিয়ে আৰু এই প্ৰত্যাহ্বানে শিকন ধনাত্মক কৰি তোলে।
- প্ৰাপ্তবয়স্কৰ বাবে সৰু ছাত্ৰ-ছাত্ৰীৰ লগত কাম কৰাটো প্ৰত্যাহ্বানমূলক।
- ভাল পৰিকল্পনাৰ বিকল্প থাকিব লাগে।

প্ৰায় সকলো শিক্ষকৰ লক্ষীৰামৰ দৰে যন্ত্ৰণা আৰু প্ৰত্যাহ্বান আছে। ভাল পৰিকল্পনা এই প্ৰত্যাহ্বানবোৰৰ বহুতো নিয়ন্ত্ৰণ কৰাৰ ক্ষেত্ৰত ফলপ্ৰসু হ'ব পাৰে। পাঠ পৰিকল্পনা সেইবাবে শ্ৰেণী চলি থকা সময়ত কি শিকাব লাগিব আৰু কি শিকিব লাগিব, কেনেকৈ ফলপ্ৰসুভাৱে শিকাব পৰা যাব, সেই বিষয়ে এজন পথ প্ৰদৰ্শকৰ বাবে পথ মানচিত্ৰয়েই হ'ল এখন পাঠ পৰিকল্পনা। পাঠ ফলপ্ৰসু পৰিকল্পনা সৃষ্টি কৰিবলৈ কিছুমান নিৰ্দিষ্ট পদক্ষেপ ল'ব লাগিব। আপুনি ইতিমধ্যে ব্লক-1 আৰু ব্লক-2ত এই বিষয়ে শিকি আহিছে। আমি পুনৰ এইবোৰ মনত পেলাও আহক—

- **শিক্ষণীয় বিন্দু দিশ ঃ** পাঠৰ লগত জড়িত শিক্ষণীয় বিন্দুবোৰ চিনাক্ত কৰিব লাগিব।
- **শিকন উদ্দেশ্যৰ বৰ্ণনা ঃ** দ্বিতীয় স্তৰটো হ'ল এটা পাঠৰ কাৰণে শিকণীয় বিন্দুৰ ওপৰত ভিত্তি কৰি এটা বিষয়বস্তু বিভিন্ন পাঠৰ শিকন উদ্দেশ্য চিনাক্তকৰণ।
- **পাতনি আৰু বিশেষ শিকনীয় কাৰ্যকলাপৰ পৰিকল্পনা ঃ** মুখ্য শিকন উদ্দ্যেশ্যবোৰ জ্ঞান, বোধ, প্ৰয়োগ, কৌশল, ভাব ইত্যাদিবোৰ কি কি আৰু এইবোৰ সমাধা



টোকা

কৰিবলৈ আটাইতকৈ উপযুক্ত শিক্ষণ-শিকন পদ্ধতি কোনটো হ'ব, শেষত পাঠটোৰ লগত পাঠটোৰ সংযোগ কেনেকৈ কৰা হৈছে, যদি এটা বিষয় ব্যৱহাৰ কৰা হৈছে এইটো কিদৰে উপস্থাপন কৰিব?

- **শিকন আৰু বোধৰ বাবে নিৰীক্ষণ কৰিবলৈ পৰিকল্পনা ঃ** শ্ৰেণী চলি থকা সময়ত ছাত্ৰ-ছাত্ৰীসকলে আৰামদায়ক শিকন পাইছে বুলি কেনেকৈ আপুনি জানিব আৰু সেই শিকন চক্ৰটো প্ৰত্যেক ছাত্ৰ-ছাত্ৰীৰ বাবে বৰ সহায়ক হৈছে নে আপুনি কেনেকৈ জানিব?
- **সিদ্ধান্ত লওক আৰু পুনৰ মন্তব্য দিয়ক ঃ** পুনৰালোচনা কৰিবলৈ আপুনি কেনেকৈ পৰিকল্পনা কৰিছে? শিকাৰুৱে প্ৰদৰ্শন কৰিবলৈ সামৰ্থ হ'ব পৰা শিকনবোৰ কি কি হ'ব পাৰে পিছত সময়ত মনত পেলাওক।
- **পাঠ পৰিকল্পনা উপস্থাপন ঃ** আপোনাৰ ছাত্ৰ-ছাত্ৰীক জানিবলৈ দিয়ক সিহঁতক কি শিকোৱা হ'ব আৰু সিহঁতে কি কৰিলে বেছি ব্যস্ত আৰু নিয়মত থাকিবলৈ সহায়ক হ'ব সেই বিষয়ে ছাত্ৰ-ছাত্ৰীক জানিবলৈ দিয়ক।
- **পাঠ পৰিকল্পনাৰ ওপৰত প্ৰতিক্ৰিয়া ঃ** আপোনাৰ পাঠ পৰিকল্পনাই বিভিন্ন কাৰকৰ বাবে আপুনি আশা কৰা ধৰণে কাম নকৰিবও পাৰে। আপুনি হতাশ হোৱাৰ প্ৰয়োজন নাই — এনেধৰণৰ ঘটনা অভিজ্ঞ শিক্ষকৰ ক্ষেত্ৰতো হয়। কি ভালকৈ কৰা হ'ল, আৰু কিয় কৰা হ'ল আৰু ভিন ভিনকৈ কি কৰিব পৰা গ'লহেঁতেন এইবোৰৰ ওপৰত প্ৰত্যেক ক্লাচৰ পিছত কিছু সময় লৈ পুনৰ অৱলোকন কৰক।

**অগ্ৰগতিৰ নিৰীক্ষণ - 2**

(ক) পৰিৱেশ অধ্যয়ন শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ পৰিকল্পনাৰ সময়ত ল'বলগীয়া পদক্ষেপসমূহ উল্লেখ কৰা।

..........................................................................................................

..........................................................................................................

..........................................................................................................

## 7.4 পৰিৱেশ অধ্যয়নৰ পাঠ পৰিকল্পনা

সাধাৰণতে পাঠ পৰিকল্পনা প্ৰস্তুত কৰোতে পেৰৰ স্তৰসমূহ আৰু নিৰ্দেশনাসমূহ দৰকাৰী। NCF 2005 অনুসৰি পৰিৱেশ অধ্যয়নৰ পৰিকল্পনা প্ৰস্তুত কৰাৰ বাবে কিছুমান দৰকাৰী জটিল দিশবোৰ কি?



টোকা

ব্লক-1ত আমি জানিলো যে পাঠ্যসূচীখন শিশুকেন্দ্রিক পদ্ধতিত প্রস্তুত কৰা হৈছে শিশুৰ দৰ্শনৰ ওপৰত ভিত্তি কৰি কৰা হৈছে যাতে শিশুৰ নিজৰে অভিজ্ঞতা, জ্ঞান গঠন কৰিব পাৰে।

আপুনি জানিলে যে পৰিৱেশ অধ্যয়ন এটা অধ্যয়নৰ যৌগিক ক্ষেত্ৰ, ই গতিশীল আৰু বাস্তৱ জীৱন আৰু ছাত্ৰ-ছাত্ৰীক পৰিৱেশৰ লগত জড়িত।

পৰিৱেশ অধ্যয়ন শিকনৰ মনোভাৱ গঠন, মূল্যবোধ, ব্যৱহাৰৰ সংস্কৰণ, কৌশলৰ বিকাশৰ ওপৰত অৱলোকন কৰা হৈছে। এইদৰে যেতিয়া বছৰটোৰ বাবে পৰিকল্পনা কৰা হয়। শৈক্ষিক বৰ্ষৰ ভিতৰত প্ৰতিটো পাঠেই দৰকাৰী আৰু আপোনাৰ মনলৈ তলত দিয়া সাধাৰণ দিশবোৰৰ কথা আহিব।

- জ্ঞান, মূল্যবোধ, মনোভাৱ কৌশল গঠনৰ সৈতে সম্পৰ্ক থকা শিকন উদ্দেশ্যবোৰ লওক।
- শিক্ষণ-শিকনৰ পদ্ধতিৰ ওপৰত ভিত্তি কৰি পৰিৱেশ অধ্যয়ন, অধ্যয়ন কৰক আৰু যিবোৰে বাস্তৱ জীৱনৰ অভিজ্ঞতাক শ্ৰেণী কোঠালৈ অনাত সহায় কৰে আৰু জটিল চিন্তনৰ বাবে উৎসাহিত কৰে।
- ক'ত আৰু কেতিয়া সম্ভৱ, যথোপযুক্তভাৱে শিকন পদ্ধতিবোৰ পচন্দ কৰক যিবোৰ অংশগ্ৰহণকাৰীয়ে নহয় ই শ্ৰেণীকোঠাত ছাত্ৰ-ছাত্ৰীক অনুসন্ধান কৰিবলৈ, আবিষ্কাৰ কৰিবলৈ উৎসাহ যোগায় আৰু সামাজিক আৰু প্ৰাকৃতিক পৰিৱেশ আদি।
- পৰিৱেশ অধ্যয়নৰ মান নিৰূপণৰ বাবে ছাত্ৰ-ছাত্ৰীৰ সামৰ্থৰ ওপৰত সিহঁতৰ সামাজিক আৰু শিকনীয় বিষয়ৰ ওপৰত গুৰুত্ব দিয়া উচিত।

তলত পৰিৱেশ অধ্যয়নৰ পাঠ পৰিকল্পনা এটা নমুনা দিয়া হৈছে।

## পাঠ পৰিকল্পনা

শ্ৰেণী- তৃতীয়

বিষয় - পৰিৱেশ অধ্যয়ন সময় - 40 মিনিট

বিষয় - মানৱসৃষ্ট আৰু প্ৰাকৃতিক বস্তু
জীৱ আৰু জড়
(আমাৰ চাৰিওফালে থকা বস্তু)

**শিকণীয় দিশ/বিন্দু ঃ** মানৱ সৃষ্ট আৰু প্ৰাকৃতিক বস্তু, জীৱ আৰু জড়

- **শিকন উদ্দেশ্য ঃ**

— ছাত্ৰ-ছাত্ৰীয়ে মানৱসৃষ্ট আৰু প্ৰাকৃতিক বস্তুৰ উদাহৰণসহ সূত্ৰ ক'বলৈ সামৰ্থ হ'ব।

— ছাত্ৰ-ছাত্ৰীয়ে জীৱ আৰু জড়ৰ বৈশিষ্ট্য ক'ব পাৰিব।

— ছাত্ৰ-ছাত্ৰীয়ে জীৱ আৰু জড়ৰ পাৰ্থক্য উলিয়াব পাৰিব।



টোকা

— বিদ্যালয় বা ঘৰৰ চৌপাশৰ পৰা জীৱ আৰু জড় পদাৰ্থ সংগ্ৰহ কৰিব পাৰিব।

— কিছুমান জীৱ আৰু জড়ৰ ৰেখা চিত্ৰ আঁকিব পাৰিব।

**শিকন সঁজুলি—**

ফ্লেনেল বোৰ্ড, শিল, ফুল, উদ্ভিদ, বোৰ্ড, দাস্তাৰ, চক ইত্যাদি।

**পূৰ্ব জ্ঞান পৰীক্ষা**

ছাত্ৰ-ছাত্ৰীয়ে চৌপাশত থকা জীৱ/জীৱিত বস্তু আৰু জড় পদাৰ্থৰ বিষয়ে সজাগ হ'ব আৰু নাম ক'বলৈ/জানিব পাৰিব।

**শিকন কৌশল-**

আৰোহী-অৱৰোহী পদ্ধতি।

**প্ৰস্তাৱনা ঃ**

| প্ৰশ্ন | আকাংক্ষিত উত্তৰ |
|---|---|
| • ছাত্ৰ-ছাত্ৰীসকল, তোমালোকে ঘৰত দেখা আৰু বিদ্যালয়ৰ চৌপাশত দেখা বস্তুবোৰৰ নাম কওক | গছ-গছনি, উদ্ভিদ, মটৰ চাইকেল, বাছ, টেবুল, চকী, ঘৰ, বিল্ডিং ইত্যাদি |
| • প্ৰকৃতিত সৃষ্টি হোৱা কিছুমান বস্তুৰ নাম কওক। | পানী, গছ, আকাশ, সূৰ্য ইত্যাদি |
| • মানৱ সৃষ্ট কিছুমান বস্তুৰ নাম কোৱা | বিল্ডিং, কাপোৰ, টেবুল, চকী, চক ইত্যাদি |
| • আমি এই বস্তু (articles) বোৰক কি ক'ম? | সমস্যামূলক প্ৰশ্ন। |

আমি আজি মানৱসৃষ্ট আৰু প্ৰাকৃতিক বস্তুৰ বিষয়ে অধ্যয়ন কৰিম।

| বিষয় শিকনীয় দিশ | ছাত্ৰ-ছাত্ৰীৰ শিকনৰ কাৰ্যাৱলী | ছাত্ৰ-ছাত্ৰীৰ কাৰ্যাৱলী |
|---|---|---|
| মানৱসৃষ্ট আৰু স্বাভাৱিক বস্তু | ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকে তলত দিয়া প্ৰশ্নবোৰ সুধিব—<br>(ক) আমি আমাৰ পৰিৱেশত দেখা বস্তুবোৰৰ এখন তালিকা কৰোঁ আহক<br>(খ) বোৰ্ডত তালিকা কৰাৰ পিছত আমি মানৱ সৃষ্ট বস্তুবোৰ বিচাৰোঁ আহক।<br>কোনবোৰ বস্তু বাদ পৰিল সৃষ্টি কৰা। | ছাত্ৰ-ছাত্ৰীয়ে প্ৰশ্নৰ উত্তৰ দিব—ফুল, গছ-গছনি, মটৰ চাইকেল, সৰু গাড়ী, মানুহ, পানী, জন্তু, ঘোঁৰা, ঘৰ, চকী, টেবুল ঘড়ী, ফল, চক ইত্যাদি।<br><br>প্ৰকৃতি |



টোকা

| বিষয় শিকনীয় দিশ | ছাত্ৰ-ছাত্ৰীৰ শিকনৰ কাৰ্যাৱলী | ছাত্ৰ-ছাত্ৰীৰ কাৰ্যাৱলী |
|---|---|---|
| মানৱসৃষ্ট আৰু স্বাভাৱিক বস্তু | (গ) ছাত্ৰ-শিক্ষকে ছাত্ৰ ছাত্ৰীক ক'ব— যিবোৰ বস্তু মানুহে প্ৰস্তুত কৰে তাক মানৱ সৃষ্ট আৰু যিবোৰ প্ৰকৃতিত পোৱা যায় সেইবোৰক প্ৰাকৃতিক বস্তু বোলে। | ছাত্ৰ-ছাত্ৰীয়ে মানৱসৃষ্ট আৰু প্ৰাকৃতিক বস্তুৰ আৰু বেছি উদাহৰণ দিব। |
| জীৱ আৰু জড় | শিক্ষকে তলত দিয়া প্ৰশ্নবোৰ সুধিব<br>(ক) আমি পুনৰ বস্তুবোৰ চাওঁ আহক, আমি কাৰ জীৱ আছে, কাৰ জীৱ নাই চাওঁ আহক।<br>(খ) খছুমান জীৱৰ নাম লিখক<br>(গ) এই বস্তুবোৰক কিয় জীৱ বোলে। ছাত্ৰ-শিক্ষকে বিভিন্ন ধৰণৰ জীৱ আৰু জড় পদাৰ্থৰ উদাহৰণসহ দেখুৱাই ব্যাখ্যা কৰিব।<br>যিবোৰ বস্তুৱে উশাহ নিশাহ লয়, লৰচৰ কৰে, বৃদ্ধি হয় আৰু প্ৰজনন কৰে সেইবোৰক জীৱ আৰু যিবোৰ বস্তুৰ এই ধৰণৰ ক্ষমতা নাই সেইবোৰক জড় বোলে। | ছাত্ৰ-ছাত্ৰীয়ে নিজে দেখা বস্তুবোৰ তালিকা কৰিব।<br>মানুহ, গছ, উদ্ভিদ, গৰু ইত্যাদি।<br>ঘোঁৰা, ম'হ, মছজিদ ইত্যাদি।<br>কাৰণ সিহঁতে উশাহ-নিসাহ লয়, বৃদ্ধি হয় আৰু প্ৰজনন কৰে। ছাত্ৰ-ছাত্ৰীয়ে এই প্ৰক্ৰিয়াত সাৰধানে অংশগ্ৰহণ কৰিব আৰু ইয়াতকৈ অধিক উদাহৰণ দিব। |
| জীৱৰ বৈশিষ্ট্যসমূহ | ওপৰত উল্লেখ কৰা গুণবোৰেই জীৱৰ বৈশিষ্ট্য।<br>ছাত্ৰ শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ সহায়ত ফ্লেনেল বোৰ্ডৰ জৰিয়তে এইটো ব্যাখ্যা কৰিব। | ছাত্ৰ-ছাত্ৰীয়ে জীৱৰ বৈশিষ্ট্যবোৰৰ ধাৰণা পাব-<br>(ক) সেইবোৰে উশাহ নিশাহ লয়।<br>(খ) সেইবোৰে খায়।<br>(গ) সেইবোৰে শোৱে।<br>(ঘ) সেইবোৰে লৰচৰ কৰে।<br>(ঙ) সেইবোৰৰ বৃদ্ধি হয়।<br>(চ) সেইবোৰে প্ৰজনন কৰে। |



টোকা

এই বস্তুবোৰক মানৱসৃষ্ট বা প্ৰাকৃতিক বস্তু বোলে। আজি আমাৰ চৌপাশে থকা বস্তুৰ বিষয়ে অধ্যয়ন কৰিলোঁ।

| জীৱ | জড় |
|---|---|
| উশাহ নিশাহ লয় | উশাহ নিশাহ নলয় |
| লৰচৰ কৰে | লৰচৰ নকৰে |
| বৃদ্ধি হয় | আকৃতিত বৃদ্ধি নহয় |
| সন্তান জন্ম দিয়ে | সন্তান জন্ম নিদিয়ে |

## ফ্লানেল বোৰ্ড

**পুনৰ আলোচনা ঃ**

ছাত্ৰ-শিক্ষকে জীৱিত পদাৰ্থ কেইটাৰ ৰঙা ৰঙেৰে বৃত্ত আঁকিবলৈ আৰু ক'লা ৰঙেৰে জড় পদাৰ্থ কেইটাত বৃত্ত আকিবলৈ ক'ব। য'ত এইবোৰ আগতে প্ৰস্তুত কৰা চাৰ্টত ৰখা হৈছে।

**গৃহ কাৰ্য ঃ**

ছাত্ৰ-শিক্ষকে ছাত্ৰ-ছাত্ৰীক তলত দিয়া ধৰণে গৃহকাৰ্য কৰিবলৈ দিব।

আপোনাৰ পৰিৱেশত থকা বস্তুবোৰ পৰ্যবেক্ষণ কৰক আৰু

1) আপোনাৰ বিদ্যালয়ৰ চৌপাশে থকা পাঁচটা মানৱসৃষ্ট আৰু পাঁচটা প্ৰাকৃতিক বস্তুৰ তালিকা কৰক।

2) আপোনাৰ চৌপাশে থকা পঁচটা জীৱ আৰু পাঁচটা জড় পদাৰ্থৰ তালিকা কৰক।

3) আপোনাৰ টোকাবহীত সেইবোৰৰ ছবি আঁকক।

## 7.4.1 দৈনন্দিন পাঠ টোকা

পাঠ পৰিকল্পনা পৰিকল্পনাৰ দৰকাৰী উপাদান আৰু এই পৰিকল্পনা, পৰিশ্ৰমী আৰু জটিল হয়। কেতিয়াবা এই পৰিকল্পনা অৰ্থহীন হয়। আৰু সেইবাবে শিক্ষক হিচাবে বহু বছৰ হৈ যোৱাৰ পিছতো আপুনি অনুভৱ কৰিব যে আপুনি আনুষ্ঠানিক পাঠ পৰিকল্পনা নোহোৱাকৈ শিক্ষণ-শিকন ফলপ্ৰসুভাৱে কৰিব যে পাৰো সেই কথা আপুনি অনুভৱ কৰিব।

যি নহওক এগৰাকী শিক্ষক হিচাপে বছৰটোৰ ভিতৰত পাঠ পৰিকল্পনাৰ ওপৰত টোকাবহী লিখা অভ্যাসো ফলপ্ৰসু হ'ব পাৰিব। দৈনিক লিখা পাঠ টোকাই পাঠ পৰিকল্পনা ফলপ্ৰসু কৰিব।



টোকা




দৈনিক পাঠ টোকাৰ বিভিন্ন উপায় আছে আপুনি এটা নিজৰ টোকাৰ স্তম্ভ প্ৰস্তুত কৰি (self notes) নিজৰ টোকাখিনি পাঠ পৰিকল্পনাৰ প্ৰ-পত্ৰ format কৰাব। এই দৈনিক পাঠ টোকাই পাঠৰ পৰিকল্পনাৰ বিষয়ে প্ৰতিপুষ্টি সম্পূৰ্ণৰূপে দিয়ে আৰু আপোনাক সহায় কৰিব পাৰে।

## 7.5 বাৰ্ষিক পাঠ পৰিকল্পনা

শিক্ষা বিভাগে বেছিভাগ সময়তে শিক্ষকসকলৰ বাবে বাৰ্ষিক পৰিকল্পনা প্ৰস্তুত কৰি আহিছে। এই বাৰ্ষিক পৰিকল্পনাই আমাক আমাৰ পাঠ পৰিকল্পনা প্ৰস্তুত কৰাত আৰু ইয়াৰ উপস্থাপন কৰাত সহায় কৰিব। ইয়াত আমাৰ এখন বাৰ্ষিক পৰিকল্পনাৰ তালিকা আছে। বেছিভাগ বিভাগ বা যিকোনো বিদ্যালয়ৰ স্তৰত প্ৰথম তিনিটা স্তম্ভ আছে। কিন্তু শেষৰ স্তম্ভটো শিক্ষকৰ বাবে দৰকাৰী।

| মাহ | অধ্যায় | পাঠ | সম্পৰ্ক |
|---|---|---|---|
| | | | |

- যেতিয়া আমি সহ সম্বন্ধৰ কথা কওঁ, তাৰ অৰ্থ হ'ল —

  (ক) প্ৰকৃতিৰ লগত, বাৰ্ষিক সভা উদ্‌যাপন বিভিন্ন উৎসৱ, ঋতু আৰু যিকোনো প্ৰাকৃতিক ঘটনাৰ লগত সহ সম্বন্ধ। ইয়াত আমি শকুন্তলা নামৰ এগৰাকী শিক্ষয়িত্ৰীক উদাহৰণ হিচাপে ল'ব পাৰো। মিছেচ শকুন্তলা দক্ষিণ ভাৰতৰ পৰা আহিছে আৰু গুজৰাটৰ এখন বিদ্যালয়ত কাম কৰি আছে। 'উত্তৰায়ন' হ'ল গুজৰাটৰ এটা দৰকাৰী উৎসৱ, আৰু এই উৎসৱটো চিলা উৰোৱা দিনৰ লগত

টোকা

জড়িত। অন্য এটা ইয়াৰ লগত জড়িত আৰশ্যকীয় কথা হ'ল এই উৎসৱত তিলৰ লাড়ু খোৱা হয়। যিহেতু 'উত্তৰায়ন' জানুৱাৰী মাহত পালন কৰা হয়, আৰু sesame (*Til*), ৰে সৈতে জড়িত ইয়াত উৎসৱৰ বাহিৰেও ঋতুজনিত সম্বন্ধ এটা তিল আৰু গুড়ৰ লগত আছে কাৰণ তিল আৰু গুড়ে কাঁহ আৰু পানীলগাত বাধা দিয়ে। শকুন্তলাই এই খাদ্য বিষয়ৰ বিষয়ে এটা পাঠ পৰিকল্পনা কৰিব বিচাৰিলে। আপুনি কেনেদৰে শকুন্তলাক সহায় কৰিব পাৰিব ভাবিছেনে?

(খ) **অন্য বিষয়ৰ লগত সহ সম্বন্ধ ঃ** উদাহৰণ স্বৰূপে 'পানী' পাঠৰ লগত অন্য বিষয় ভাষা বা গণিতৰ লগত কিবা সম্বন্ধ আছে নে?

(গ) একে চিন্তাৰ অন্য গ্ৰেডৰ লগত সহ-সম্বন্ধ ঃ যিহেতু আপুনি জানে যে পৰিৱেশ অধ্যয়নৰ পাঠ্যসূচীৰ ছটা ডাঙৰ বিষয় আছে। আৰু এই বিষয়বোৰ কেন্দ্ৰীয়ভাৱে বৃত্তাকাৰে সজোৱা আছে। সেইবাবে এটা চিন্তা/বিষয়ৰ আগৰ বছৰৰ বা পিছৰ বছৰৰ বাবে থকা অন্য পাঠবোৰৰ লগত এটা সম্বন্ধ আছে। আনকি যদিও কেতিয়াবা আপুনি এগৰাকী শিক্ষক হিচাপে এনে ধৰণৰ সংযোগৰ প্ৰতি ছাত্ৰ-ছাত্ৰীক সজাগ কৰা উচিত (যদিও আপুনি সম্বন্ধ নাপায়ও) কিন্তু এগৰাকী শিক্ষক হিচাপে, আপুনি যেতিয়া পৰিকল্পনা কৰে, এটা চিন্তাৰ ভিতৰত থকা টপিকসমূহৰ মাজত এটা অনুভূতিক সংযোগ ৰখাটো উচিত।

(ঘ) অন্যান্য চিন্তাৰ লগত সহ সম্বন্ধ ঃ উদাহৰণ স্বৰূপে 'আশ্ৰয়স্থলী'ৰ 'আমি সৃষ্টি কৰো আৰু কৰা বস্তু'বোৰৰ লগত এটা ঘনিষ্ঠ সম্পৰ্ক আছে।

তলত তিনিটা বনানীকৰণৰ গছ-গছনিৰোৱা কাৰ্যকলাপৰ ঘটনালৈ চাওঁ আহক আৰু কেনেকৈ গছপুলি ৰোৱাৰ পৰিকল্পনা কৰা হৈছিল?

শিক্ষক 'ৰ'জি'য়ে উপলব্ধি কৰিছিল যে ছাত্ৰ-ছাত্ৰীক উদ্ভিদ আৰু প্ৰাণীৰ আৰশ্যকতাৰ বিষয়ে আৰু এইবোৰৰ বিকাশৰ বাবে বুজাবলৈ পৰাটো পৰিৱেশ অধ্যয়নৰ শিকন উদ্দেশ্য হোৱা উচিত। এইদৰে তেখেতে স্বাভাৱিকভাৱে ছাত্ৰ-ছাত্ৰীসকলক গছপুলি/গছনি ৰুবলৈ আৰু যত্ন ল'বলৈ উৎসাহিত কৰিছিল।

তেখেতে যেতিয়া অহা বছৰৰ বাবে কৰিবলগীয়া পৰিকল্পনাটোৰ উন্নতি কৰিবলৈ আৰম্ভ কৰিছিল, এইটো আগৰ বছৰটোত এটা কাৰ্যকলাপ বুলি ভবা হৈছিল- গছপুলি ভালকৈ ৰোৱা হৈছিল। কিন্তু বেছিভাগ গছেই মৰি থাকিল, এই বনানীকৰণৰ গছৰোৱা কাৰ্যটোৰ কোনো ধৰণৰ মান নিৰূপণ কৰা নহ'ল। যিয়ে নহওক ৰজিয়ে গভীৰভাৱে বিশ্বাস কৰিছিল যে এই কাৰ্যটো বৰ অৰ্থপূৰ্ণ আৰু উঠি অহা ছাত্ৰ-ছাত্ৰীৰ মনত ইয়াৰ প্ৰতি এটা ধনাত্মকভাৱে সৃষ্টি কৰাটো দৰকাৰ।

সেইবাবে, এতিয়া প্ৰশ্নটো হ'ল, এই কাৰ্যটোৰ বাবে উন্নত পৰিকল্পনা যদি কৰা হয় আৰু এই পৰিকল্পনাই শকুন্তলাক ইয়াৰ অৰ্থপূৰ্ণতা আৰু ফলপ্ৰসূতাৰ বিষয়ে বুজাত বেছি সহায় কৰিব।



টোকা

এই বছৰ শকুন্তলা (বাইদেউৰে)ই পৰিকল্পনা কৰিলে আৰু কাৰ্যকলাপটো অলপ বেলেগ ধৰণে কৰিলে। জুন মাহৰ শেষৰ পিনে, বিদ্যালয়বৰ্ষৰ আৰম্ভণিতে, তেখেতে ছাত্ৰ-ছাত্ৰীক মাতি তেওঁলোকে জনা গছ-গছনিৰ নাম লিখি এখন তালিকা প্ৰস্তুত কৰিবলৈ দিলে। তাৰ পিছত উদ্ভিদ (গছ গছনি) বোৰ শ্ৰেণী বিভাগ কৰিবলৈ দিলে, ছাত্ৰ-ছাত্ৰীসকলেও তলত দিয়া ধৰণে গছ-গছনিৰ শ্ৰেণী বিভাগ কৰিলে ঃ

(ক) ছাঁ দিয়া গছ/উদ্ভিদ

(খ) ঘাঁহ বন জাতীয়

(গ) ফল জাতীয়

(ঘ) ফুল জাতীয়

(ঙ) অলংকাৰজাতীয়

পিছদিনা শকুন্তলাই ছাত্ৰ-ছাত্ৰীসকলক তেওঁলোকে তালিকাভুক্ত কৰা আৰু ৰুবলৈ বিচৰা গছ-গছনিবোৰৰ গোত্ৰ/পৰিয়ালৰ বিষয়ে আলোচনা কৰিবলৈ দিলে। দুদিনৰ পিছত গোটেই শ্ৰেণীটোৰ বাবে এখন শেহান্ত তালিকা প্ৰস্তুত কৰা হ'ল। ৰ'জি (বাইদেউৰে)এ পাঁচটা বিভাগত প্ৰয়োজনীয় গছ-গছনিৰ তালিকা চিনাক্ত কৰিবলৈ দিলে আৰু দণ্ডগ্ৰাফ প্ৰস্তুত কৰিবলৈ দিলে।

পিছৰ সপ্তাহত তেখেতে ছাত্ৰ-ছাত্ৰীবোৰক ওচৰতে থকা বন বিভাগৰ এখন নাৰ্চাৰীলৈ লৈ গৈছিল। তাত তেওঁলোকক তাত প্ৰয়োজন হোৱা সামগ্ৰীসমূহৰ বিষয়ে আলোচনা কৰিবলৈ দিছিল। তাৰ পিছদিনা, বন বিভাগে সেই মতে বিভিন্ন গোত্ৰৰ গছ গছনিৰ প্ৰয়োজনীয় নমুনা দিছিল।

(ছাত্ৰ-ছাত্ৰীয়ে প্ৰস্তুত কৰা তালিকা অনুসৰি) ৰ'জি (বাইদেউৰে) য়ে গছ-গছনি ভালকৈ গজিবৰ বাবে ল'বলগীয়া যত্ন আৰু শুশ্ৰূষাৰ বিষয়ে এটা পিৰিয়ড উপস্থাপন কৰিবলৈ অনুৰোধ কৰিছিল।

ৰজিয়ে এতিয়া ৰোৱা গছ-গছনিৰ বচাই জীয়াই ৰখাৰ বাবে নিশ্চিত হৈছিল।

ওপৰোক্ত ঘটনাটোৰ ওপৰত ভিত্তি কৰি তলত দিয়া প্ৰশ্নবোৰৰ উত্তৰ লিখক—

(ক) ৰজিয়ে এই পাঠ পৰিকল্পনাটো প্ৰস্তুত কৰোতে ভাল পৰিকল্পনাৰ কোনবোৰ বিষয়ৰ প্ৰতি গুৰুত্ব দিব?

(খ) এই পৰিকল্পনাত কেইটা বিষয় অন্তৰ্ভুক্ত হ'ব?

(গ) যদি আপুনি ৰজি হ'লহেঁতেন, পৰিৱেশ অধ্যয়নৰ উদ্দেশ্যত উপনীত হ'বলৈ এই পৰিকল্পনা আৰু কাৰ্যকৰী অনুশীলনীটো উপযুক্ত হ'ব বুলি আপুনি ভাবেনে? কিয়?

(ঘ) আপোনাৰ মতে, গছ-গছনি জীয়াই থকাৰ হাৰ তুলনামূলকভাৱে যোৱা বছৰতকৈ কমিব নে বাঢ়িব? কিয়?

(খ) পৰিবেশৰ বিষয়ে পাঠ পৰিকল্পনা প্ৰস্তুত কৰিবলৈ হ'লে পৰিকল্পনা দৰকাৰ' কিয় আপুনি ব্যাখ্যা কৰিব পাৰিবনে?

টোকা



আৰম্ভণিতে ৰজিৰ কাৰ্য আৰু তাৰ লগত জড়িত শিকনৰ বিষয়ে এটা প্ৰশ্ন আছিল। কিন্তু সময় যোৱাৰ লগে লগে তেখেতে বুজিছিল যে আনুষ্ঠানিক শিক্ষণ-শিকনৰ নিয়মৰ অবিচ্ছেদ্য অংগ হিচাপে বহুসংখ্যক পৰিকল্পনা কৰাৰ প্ৰয়োজন। যিহেতু এইটো তেখেতৰ প্ৰথম প্ৰচেষ্টা, গতিকে পৰিকল্পনাৰ বাবে যথেষ্ট কষ্ট আৰু সময় দিবলগীয়া হৈছে, কিন্তু পিছৰ বছৰত কম সময়ৰ প্ৰয়োজন হৈছিল।

এই ক্ষেত্ৰত আমি চাব পাৰোঁ যে ৰজিয়ে পৰিকল্পনা কৰিছিল আৰু বিভিন্ন সমল, যেনে সামগ্ৰী, গছ-গছনি, সমল ব্যক্তিৰ ব্যৱস্থাপনা কৰিছিল। তেখেতে ছাত্ৰ-ছাত্ৰীৰ বাবে ক্ষেত্ৰ ভ্ৰমণ কৰাৰো ব্যৱস্থা কৰাৰ পৰিকল্পনা কৰিছিল। অতি প্ৰয়োজনভাৱে তেখেতে নিশ্চিত হৈছিল যে স্থানীয় সমলৰ লগত ঋতুৰ লগত (বনানীকৰণৰ জৰিয়তে) পৰিয়ালৰ লগত, স্থানীয় সমাজৰ লগত (পৰিয়ালৰ জৰীপৰ জৰিয়তে) তেখেতে সম্পৰ্ক ৰক্ষা কৰিব পাৰিছিল।

আপুনি জানেনে পৰিৱেশ অধ্যয়নৰ চাৰিটা বিষয় আছে? এইবোৰ তিনি বছৰৰ বাবে তিনিটা গ্ৰেডত আছে। সেইবাবে পৰিৱেশ অধ্যয়নৰ পৰিকল্পনা প্ৰস্তুত কৰোতে আপুনি নিশ্চিত হোৱাৰ প্ৰয়োজন যাতে—

- আপোনাৰ গোটেই তিনি বছৰৰ বাবে আৰু অগ্ৰগতি অনুসৰি ছটা (গোটেই) বিষয়ৰ বাবে এটা শিকন পৰিকল্পনা থাকিব লাগে। উদাহৰণ স্বৰূপে যদি আপুনি আহাৰৰ কথা কয়, আপুনি পৰিৱেশ অধ্যয়নৰ পৰিকল্পনা কৰিব লাগে যাতে তিনি বছৰৰ ভিতৰত শিকনীয় বিষয়সমূহ প্ৰতিফলিত হয়। এইদৰে যিকোনো দুটা গ্ৰেডৰ মাজত এই পৰিকল্পনাই সংযোগ ৰখাত সহায় কৰিব।
- বাৰ্ষিক পৰিকল্পনা আৰু পাঠ পৰিকল্পনাবোৰৰ স্থানীয় আৰু তাৎক্ষণিক পৰিৱেশ (যেনে ঋতুজনিত বিচিত্ৰতা আৰু ঘটনা, উৎসৱ, স্থানীয় উৎসৱ পালনৰ লগত সংযোগ ৰাখিব পৰা হোৱা উচিত।

**অগ্ৰগতিৰ নিৰীক্ষণ** - 3

(ক) পাঠ পৰিকল্পনাৰ বাবে এখন প্ৰ-পত্ৰ প্ৰস্তুত কৰক—

..........................................................................................

..........................................................................................

..........................................................................................

## 7.6 অগ্ৰগতি, অংশগ্ৰহণ আৰু সমল ব্যৱহাৰৰ বাবে পৰিকল্পনা

আপুনি হয়তো পৰিৱেশ অধ্যয়নৰ পাঠ্যপুথি আৰু কাৰিকুলামৰ ওপৰত ভিত্তি কৰি কৰা পৰিকল্পনাৰ কথা চিন্তা কৰিছে। পৰিকল্পনাৰ বাবে কাৰিকুলাম আৰু পাঠ্যপুথি



টোকা

প্ৰাসংগিক আহিলা কিন্তু ইয়াৰ লগত তিনিটা আৰু অন্যান্য দিশ পৰিকল্পনা কৰোতে বিবেচনা কৰা উচিত। এই তিনিটা হ'ল—

1) **ছাত্ৰ-ছাত্ৰীৰ অগ্ৰগতি ঃ**

শিক্ষক হিচাপে আপোনাৰ কেৱল বিষয় শিকাবলৈ নহয় কিন্তু শিকন সুবিধা প্ৰদান কৰাটোত ভূমিকা আছে। পাঠ নং-5ত আপুনি অবিৰত আৰু সামগ্ৰিক মূল্যায়নৰ বিষয়ে সিকিলে আৰু এই মূল্যায়ন নিৰ্দিষ্ট সময়ৰ মূৰে ছাত্ৰ-ছাত্ৰীৰ শিকন আৰু অগ্ৰগতি নিৰীক্ষণ কৰিবলৈ কৰা হয়। এইবোৰৰ ওপৰতে ভিত্তি কৰি, আপুনি সেই বছৰটোৰ শ্ৰেণীটোৰ বাবে শিক্ষণ শিকন প্ৰক্ৰিয়াৰ সংশোধন কৰিব লাগে। এইটোৱেই শিক্ষণৰ উদ্ভাৱনীৰ দিশ যি অত্যন্ত দৰকাৰী। এইদৰে ছাত্ৰ-ছাত্ৰীৰ অগ্ৰগতি হৈছে পৰিকল্পনা কাৰ্যকৰী কৰাৰ বাবে এটা দৰকাৰী কাৰক।

2) **দ্বিতীয় দিশটো হ'ল ছাত্ৰ-ছাত্ৰীৰ অংশগ্ৰহণ ঃ** যিহেতু আপুনি জানে নে ভিন ভিন ছাত্ৰ-ছাত্ৰীৰ শিকন কৌশলৰ বাবে বিভিন্ন সুবিধা থাকে আৰু সেইবাবে আপুনি বিভিন্ন শিক্ষণ শিকনৰ পদ্ধতি ব্যৱহাৰ কৰিবলৈ প্ৰেৰণা পাব। এইবাবে ছাত্ৰ-ছাত্ৰীৰ সামৰ্থ আৰু শিকণ সুবিধা দিবলৈ আপোনাৰ পৰিকল্পনা নমনীয় হ'ব লাগিব। কিছুমান ছাত্ৰ-ছাত্ৰীয়ে সামগ্ৰী সৃষ্টি কৰি, কিছুমানে টোকা প্ৰস্তুত কৰি আৰু কিছুমানে বাতৰি কাকত , 'পেপাৰ কাৰ্টিং' আৰু কিছুমানে সমনীয়াৰ লগত আলোচনা কৰি শিকে। এগৰাকী শিক্ষক হিচাপে আপোনাৰ পৰিকল্পনাই ব্যস্ত হোৱাৰ সামৰ্থ আৰ্জিবলৈ আৰু শ্ৰেণী কোঠাত সকলো ছাত্ৰ-ছাত্ৰীক অংশগ্ৰহণ কৰোৱাটো অতি দৰকাৰী।

3) **সহজলভ্য সমল ঃ**

যিকোনো এখন পাঠ পৰিকল্পনাৰ কৃতকাৰ্যতাৰ বাবে ভাল আৰু ব্যৱহাৰিক পাঠ পৰিকল্পনা এটা দৰকাৰী কাৰক। বিদ্যালয়ত আৰু বিদ্যালয়ৰ চৌপাশত যথেষ্ট সংখ্যক শৈক্ষিক আৰু শিকন সম্বন্ধীয় সমল আছে এই বিষয়ে পাঠ-4ত বিশদভাৱে আলোচনা কৰিম।

## 7.6.1 ছাত্ৰ-ছাত্ৰীৰ অগ্ৰগতি ঃ

সেই দিনাখন বিদ্যালয়ৰ প্ৰথম দিন আছিল। লীনা সেই বিদ্যালয়ত নিযুক্তি পাইছিল আৰু চতুৰ্থ শ্ৰেণীৰ দায়িত্ব তেখেতক দিয়া হৈছিল। সকলোবোৰ ছাত্ৰ-ছাত্ৰীয়ে লীনাক সম্ভাষণ জনাবলৈ আগবাঢ়ি আহিছিল। লীনাই বৰ আনন্দ অনুভৱ কৰিছিল। তেখেতে লক্ষ্য কৰিছিল যে এগৰাকী ছাত্ৰই শ্ৰেণীৰ এটা কোণত নীৰৱে বহি আছিল আৰু তাৰ চকুহালে যেন কিছু কথা প্ৰকাশ কৰিবলৈ বিচাৰি আছিল। অকণো ইতস্ততঃ নকৰাকৈ লীনাই তাৰ পিনে চাই হাঁহি দিছিল যদিও কোনো সঁহাৰি পোৱা নাছিল। অন্য এজন ছাত্ৰ অপূৰ্বই কৈছিল 'তাৰ নাম তেড সি সদায় এইদৰে থাকে। শ্ৰেণীত তাৰ মন



টোকা



নবহে আৰু শিক্ষকে কি শিকায় একো গম নাপায়।'

ইয়াৰ কিছুদিন পিছত লীনাই অপূৰ্বই কোৱাৰ দৰে তেডৰ ক্ষেত্ৰত সন্মতি দিছিল। তাৰ পিছত মাহিলি অভীক্ষাৰ দিন আহিছিল। সেই অভীক্ষাত তেওঁৰ বৰ বেয়া হৈছিল, তেওঁৰ হাতৰ আখৰবোৰ অস্পষ্ট আছিল।

এতিয়া শিক্ষকৰ বাবে ছাত্ৰ-ছাত্ৰীৰ দক্ষতাৰ মান নিৰূপণ কৰাৰ সময় আহিলত লীনাই তেডৰ নম্বৰ ৰেকৰ্ড কৰিছিল। লীনাই তেডৰ আগৰ অগ্ৰগতি কাৰ্ডৰ মন্তব্য যিবোৰ প্ৰস্তুত অতি বেয়া আছিল, সেইবোৰ পঢ়িছিল আৰু এতিয়াও লীনাই সেইদৰে অগ্ৰগতি ৰেকৰ্ড কৰিলে। অৱশেষত, তেখেতে তেডৰ শিকন প্ৰফাইলখন লৈ আহিল।' তেওঁ এগৰাকী চোকা ছাত্ৰ। সি সদায় এনথাইষ্টিক আৰু হাঁহিমুখীয়া আছিল। তেওঁৰ এটা ভাল ভৱিষ্যৎ আছিল।'— এইবোৰ আছিল তেডৰ প্ৰফাইলৰ মন্তব্য। লীনা বৰ আচৰিত হৈছিল। এই মন্তব্যবোৰ তেডৰ প্ৰথম বৰ্ষৰ মন্তব্য আছিল। লীনা উৎসুক হৈছিল আৰু পুনৰ পঢ়িবলৈ ধৰিছিল।

প্ৰথম গোট অভীক্ষাৰ পিছত তেডে কিছু সলনি হৈছিল। তেওঁৰ মাকৰ কিছুমান সমস্যা আছিল, সেইবাবে তেডে শ্ৰেণীত অন্যমনস্ক আছিল।

**গ্ৰেডত ঃ**

তেডে মাকক হেৰুৱাইছিল, তাৰ দেউতাকে মদ খাইছিল। তেনে অৱস্তাত সি বৰ হতাশ হৈছিল। তেওঁ সমূলি পঢ়া-শুনাত দক্ষ হোৱা নাছিল। তেডৰ যত্ন ল'বলৈও কোনো আগবাঢ়ি অহা নাছিল। লীনাই পঢ়িয়েই আছিল চকু পানীৰে লীনাই বাট নেদেখা হৈছিল, তেখেতে অনুভৱ কৰিছিল যে তেডৰ প্ৰতি বৰ অন্যায় কৰা হৈছিল।

পিছদিনা যেতিয়া লীনাই শ্ৰেণীত সোমাইছিল তেডৰ পিনে চাই মিচিকিয়া হাঁহি এটা মাৰিছিল। তেডে লীনাক দেখিও নেদেখাৰ ভাওঁ ধৰিছিল। যেতিয়া লীনাই তাৰ পিনে চাই হাঁহিয়ে থাকিল, লাহে লাহে তেওঁৰ মুখতো লীনাৰ প্ৰতি থকা সন্মানৰ প্ৰতিভা দেখুৱাবৰ বাবে হাঁহি বিৰিঙিছিল। চাৰি মাহ পাৰ হৈ গৈছিল। ইতিমধ্যে নতুন বছৰ আৰু খ্ৰীষ্টমাছ আহিছিল। সকলো ছাত্ৰ-ছাত্ৰীয়ে শিক্ষয়িত্ৰী লীনাৰ বাবে উপহাৰ আনিছিল। সকলোৰে উপহাৰ লীনাই মৰমেৰে গ্ৰহণ কৰিছিল। অৱশেষত তেডে লীনা বাইদেউৰ কাষলৈ আহিছিল আৰু শিল আৰু মণিৰে তৈয়াৰী এপাত ব্ৰেচলেট আৰু এটা খালী সুগন্ধিৰ বটল দিছিল। ইয়াৰ পিছত দ্বিতীয় গোট অভীক্ষাৰ সময় হৈছিল আৰু তেডে চতুৰ্থ স্থান পাইছিল।

আপুনি আপোনাৰ শ্ৰেণীত তেডৰ নিচিনা ছাত্ৰ পাব পাৰে। কেৱল মাত্ৰ শিকন প্ৰফাইল পৰ্যবেক্ষণ কৰি লীনাই তেওঁৰ সামৰ্থ, অৰ্হতা আৰু পৰিয়ালৰ অৱস্থাৰ বিষয়ে জানিব পাৰিছিল।



টোকা

ছাত্ৰ-ছাত্ৰীৰ প্ৰফাইলবোৰ, এগৰাকী একক শিক্ষকৰ বাবেহে যে দৰকাৰী সেই কথা নহয় ই ছাত্ৰ-ছাত্ৰীৰ বছৰটোৰ শেষত ওপৰ খাপলৈ নিবলৈ গ্ৰেড দিয়া সহায় কৰে। শিকনৰ সুবিধা, পৰিয়ালৰ অৱস্থা, ছাত্ৰ-ছাত্ৰীৰ অগ্ৰগতি আৰু মনোভাৱ আদিত হোৱা হঠাৎ হোৱা ডাঙৰ পৰিৱৰ্তন আদিৰ বিভিন্ন দিশত এই প্ৰফাইলবোৰত শিক্ষকৰ মতামত প্ৰতিফলিত হৈ থাকে। কেৱল মাত্ৰ এই প্ৰফাইলবোৰে ছাত্ৰ-ছাত্ৰীৰ অগ্ৰগতি ধৰি ৰাখিবলৈ আৰু শিক্ষণ-শিকন পৰিকল্পনাৰ প্ৰতিপুষ্টি দিবলৈ ফলপ্ৰসু আহিলা বুলি প্ৰমাণ কৰিব পাৰে। এইবোৰৰ বাবে বিভিন্ন উপায় আছে, যেনে —

- সকলো ছাত্ৰ-ছাত্ৰীৰ অগ্ৰগতি তথা জানিবলৈ আমি এখন সামগ্ৰিকভাৱে প্ৰ-পত্ৰ (ফৰমেট) প্ৰস্তুত কৰিব পাৰো। এনেধৰণৰ প্ৰ-পত্ৰৰ জৰিয়তে শ্ৰেণীকোঠাটোৰ এটা সামগ্ৰিক দৃশ্য আৰু তুলনামূলক বিশ্লেষণ জানিব পাৰো। কিন্তু ইয়াৰ কিছুমান অসুবিধা আহে। ই শিশুকেন্দ্ৰিক নহ'বও পাৰে। এই প্ৰ-পত্ৰখন শিক্ষকৰ ব্যৱহাৰৰ বাবে বেছি দৰকাৰী আৰু সহজ হ'ব।

| ছাত্ৰ-ছাত্ৰীৰ নাম | শিকন কৌশল | শিকন সামৰ্থ | আমোদজনক বিষয় | যোৰা গোটৰ দক্ষতা | এই গোটৰ পাৰদৰ্শিতা | পিছৰ পৰিকল্পনা বাবে টোকা |
|---|---|---|---|---|---|---|
| | | | | | | |

- প্ৰত্যেক ছাত্ৰ-ছাত্ৰীৰ বাবে ব্যক্তিগত শিকন প্ৰফাইল প্ৰস্তুত কৰিব পাৰি এনে ধৰণৰ প্ৰ-পত্ৰ আটাইতকৈ ভাল, শিশু-কেন্দ্ৰিক, কিন্তু শিক্ষকৰ বাবেই ব্যৱহাৰ আৰু পৰিচালনাৰ বাবেই কষ্টকৰ হয়। ইয়াত বস্তুনিষ্ঠ আৰু তুলনামূলক বিশ্লেষণ পোৱা নাযায়।

## 7.6.2 পৰিকল্পনাত ছাত্ৰ-ছাত্ৰীৰ অংশগ্ৰহণ ঃ

আপুনি জানে যে ভিন ভিন ছাত্ৰ-ছাত্ৰীৰ শিকনৰ বাবে ভিন ভিন সুবিধা থাকে। আৰু সেইবাবে আপুনি বিভিন্ন শিক্ষণ-শিকন পৰিকল্পনা প্ৰস্তুত কৰিবলগীয়া হয়। এইদৰে ছাত্ৰ-ছাত্ৰীক জড়িত কৰিবলৈ সুবিধা হ'ব। ছাত্ৰ-ছাত্ৰীৰ সামৰ্থ আৰু শিকন সুবিধা আনিবলৈ আপুনি যি পৰিকল্পনা কৰিব সেইখন অধিক নমনীয় হ'ব আৰু আপুনি এই বিষয়ে নিশ্চিত হ'ব পাৰিব— কিছুমান ছাত্ৰ-ছাত্ৰী সামগ্ৰী প্ৰস্তুত কৰি আগতকৈ ভাল কৰিব, কিছুমান টোকা প্ৰস্তুত কৰি, কিছুমানে বাতৰি কাকতৰ পেপাৰ কাটিঙত আগ্ৰহী হ'ব পাৰে। আকৌ কিছুমানে সমনীয়াৰ লগত আলোচনা কৰিও শিকে। পৰিকল্পনা প্ৰস্তুত প্ৰক্ৰিয়াত ছাত্ৰ-ছাত্ৰীক জড়িত কৰিলে আপোনাৰ পৰিকল্পনাই আপুনি ছাত্ৰ-ছাত্ৰীক অন্তৰ্ভুক্তিকৰণ আৰু শ্ৰেণীকোঠাত জড়িত হ'ব।






## 7.6.3 পৰিকল্পনাৰ সমল

প্ৰয়োজনীয়তাৰ ওপৰত ভিত্তি কৰি বিভিন্ন প্ৰকাৰৰ শৈক্ষিক সমল চিনাক্ত কৰি আৰু নতুন সমল সৃষ্টি কৰাটো পৰিকল্পনাৰ প্ৰস্তুত প্ৰক্ৰিয়াৰ এটা দৰকাৰী পদক্ষেপ। পাঠ পৰিকল্পনাত উল্লেখ কৰা বিভিন্ন কাৰ্যকলাপ কৰিবলৈ শিক্ষকক সমলৰ প্ৰয়োজন হয়। শ্ৰেণী কোঠা ছাত্ৰ-ছাত্ৰীৰ জড়িতকৰণৰ বিষয়টো পৰামৰ্শমূলক।

পিছৰ অধ্যায়টোত পৰিৱেশ অধ্যয়ন শিক্ষণ শিকনৰ বাবে প্ৰয়োজন হোৱা সমলৰ বিষয়ে শিকিব পাৰিব।

## 7.7 সামৰণি

এই অধ্যায়টো শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ অধ্যায় নহয় তথাপিও এই অধ্যায়টোত শিক্ষকৰ ব্যৱহাৰিক অধ্যয়নটোৰ ওপৰত বেছি ৰেখাপাত কৰা হৈছে। আমাৰ প্ৰত্যেকৰে পৰিকল্পনা প্ৰস্তুত কৰাৰ নিজা নিজা ব্যৱস্থা উপায় আছে, কিন্তু যাতে আপোনাৰ পৰিকল্পনাখন ব্যৱহাৰিক আৰু ফলপ্ৰসু হয় সেইটো নিশ্চিত কৰিবলৈ কিছুমান নিৰ্দিষ্ট সাধাৰণ পদক্ষেপ ল'ব লাগিব।

এই অধ্যায়ত শিক্ষকৰ বিষয়ে গুৰুত্ব দি লিখা হৈছে; কাৰণ শিক্ষকজন ছাত্ৰ-ছাত্ৰীৰ মনত এগৰাকী কাৰিকৰ। যিকোনো এজন কাৰিকৰে তলত দিয়া কিছুমান কথা মনত ৰখা দৰকাৰ ঃ

- তেওঁৰ সৃষ্টি, আত্ম ব্যাখ্যাকাৰী হ'ব লাগিব।
- তেওঁৰ কাম উদ্ভাৱনমূলক হ'ব লাগিব
- তেওঁৰ সৃষ্টি (শিকাৰু)ৰ নিজা পৰিচয় থাকিব।
- সৃজনীমূলক ফলাফলখিনি থাকিব লাগিব।
- স্থানীয়কাৰক আৰু পৰিস্থিতিৰ সৈতে সম্বন্ধ স্থাপন কৰিব লাগিব। পৰিৱেশ অধ্যয়নৰ শিক্ষণ-শিকনৰ বাবে প্ৰস্তুত কৰোতে চাব লাগে যাতে আপোনাৰ পাঠ পৰিকল্পনাত প্ৰয়োজনীয় সম্বন্ধবোৰ আৰু আন্তঃসংযোগবোৰ থাকে। ইয়াৰ উপৰিও শিক্ষকৰ বাবে পৰিকল্পনা বুজিবলৈ বাৰ্ষিকৰ পৰা দৈনিক পৰিকল্পনাৰ মাজত এটা পৰিসৰ থকা দৰকাৰ। পৰিৱেশ অধ্যয়নৰ পৰিকল্পনা প্ৰস্তুত কৰোতে লক্ষ্য কৰিবলগীয়া দৰকাৰী কথাটো হ'ল প্ৰাকৃতিক পৰিৱেশ, সাংস্কৃতিক পৰিৱেশ আৰু ভৱিষ্যত ৰক্ষণাবেক্ষণৰ কথাটো আপোনাৰ পৰিকল্পনাত থাকিব লাগিব।

অৱশেষত ক'ব পাৰি যে পৰিকল্পনা প্ৰস্তুত প্ৰক্ৰিয়াত ছাত্ৰ-ছাত্ৰীসকলৰ অন্তৰ্ভুক্তিকৰণ আৰু সমল ফলপ্ৰসু আৰু উন্নত পৰিকল্পনাৰ বাবে দৰকাৰী কাৰক। ইয়াৰ পিছৰ অধ্যায়ত আপুনি পৰিকল্পনাৰ সমলৰ বিষয়ে অধিক জানিব পাৰিব।



টোকা

## 7.8 আপোনাৰ অগ্ৰগতি নিৰীক্ষণৰ আৰ্হি উত্তৰ ঃ

### অগ্ৰগতিৰ নিৰীক্ষণ - 1

উত্তৰ ঃ প্ৰস্তাৱনা, প্ৰক্ৰিয়া আৰু ফলাফল

### অগ্ৰগতিৰ নিৰীক্ষণ - 2

উত্তৰ ঃ শিকনীয় দিশবোৰ চিনাক্ত কৰি, শিকনীয় উদ্দেশ্য উলিয়াই, পৰিকল্পনা প্ৰস্তুত কৰি, পাতনি আৰু বিশেষ শিকনীয় কাৰ্যকলাপ, শিকিব আৰু বুজিবলৈ শিকা আৰু বুজাখিনি নিৰীক্ষণ কৰিবলৈ পৰিকল্পনা কৰি, বুজি, সিদ্ধান্তৰ বিকাশ কৰি আৰু পুনৰীক্ষণ কৰি, বাস্তৱ সময় ৰেখা সৃষ্টি কৰি, পূৰ্ণ দৈৰ্ঘ্যৰ পৰিকল্পনাৰ উপস্থাপন কৰি আৰু পাঠ পৰিকল্পনাৰ ওপৰত আলোকপাত কৰি।

### অগ্ৰগতিৰ নিৰীক্ষণ - 3

উত্তৰ ঃ

তাৰিখ ঃ

শ্ৰেণী ঃ

বিষয় ঃ

নাম ঃ

শিকনীয় দিশ ঃ

শিকন উদ্দেশ্য ঃ

পূৰ্ব জ্ঞান ঃ

শিকন সমল/ শিকন আহিলা ঃ

শিকন পদ্ধতি ঃ

| শিকনীয় দিশ | শিকনীয় কাৰ্যকলাপকৃত ফলকৰ কাৰ্য |
|---|---|
| পাতনি | |
| উপস্থাপন | |
| মূল্যায়ন | |
| (গৃহকাৰ্য) | |
| প্ৰাসংগিক/প্ৰসংগ | |

## 7.9 পঠনৰ বাবে পৰামৰ্শ আৰু প্ৰসংগ পুথি

http://www.discoveryeducation.com/teachers/free-lesson-plans/lms-lesson-plan- 928.cfm

টোকা

http://www.lessonplanspage.com/writelessonplan-htm/
National Curriculum Framework 2005, NCERT, New Delhi

## 7.10 গোটৰ শেষ অনুশীলনী

(ক) আপোনাৰ মতে, ভালকৈ পৰিকল্পনা কৰা, বিফল হোৱা বা পৰিকল্পনা নকৰা, কোনটো ফলপ্ৰসু হ'ব? কিয়?

(খ) অধ্যায়টোৰ পাঠ পৰিকল্পনাৰ খণ্ডিত দিয়া প্ৰ-পত্ৰৰ তালিকাৰ ওপৰত ভিত্তি কৰি এটা পাঠ প্ৰস্তুত কৰক।

(গ) পৰিকল্পনা প্ৰস্তুত কৰোতে বিবেচনা কৰিবলগীয়া দৰকাৰী দিশবোৰ কি কি?

(ঘ) তলৰ উদ্ধৃতিটোৰ বাবে, তলত দিয়া স্কেলৰ ওপৰত ভিত্তি কৰি 1ৰ পৰা 4 লৈকে নম্বৰ দি ষ্টেপ্ত এডাল লোৱা ঃ

1- বহুত সন্মত

2- সন্মত

3- অসন্মত

4- কিছু সন্মত

(ঙ) ৰাধাকষঃ 20 বছৰতকৈ অধিক কাল শিক্ষক হৈ আছে। তেখেতে ছাত্ৰ-ছাত্ৰীক ভালকৈ জানে, পৰিদৰ্শনৰ সময়ত, তেখেতৰ দৈনিক পৰিকল্পনাৰ বহীখন খালী হৈ থাকে। এগৰাকী শিক্ষকৰ পৰিকল্পনা বহী পৰিচালনা কৰাৰ প্ৰয়োজন নাই বুলি তেখেতে ভাবে। আপুনি তেখেতৰ মতত একমত নে?

(চ) আপোনাৰ অধ্যক্ষই ফুলনৰ টোকাবহী ভালকৈ নোচোৱা বাবে প্ৰশ্ন সোধে আপুনি তৎক্ষণাৎ ভাবিব। ফুলনৰ মাকে কেতিয়াও তাইৰ যত্ন নলয়, সেইবাবে ফুলন এগৰাকী অসাৱধান ছাত্ৰী। সেইবাবে তাইৰ টোকাবহী ভালকৈ চোৱা নহয়। এই চিন্তনটোৰ লগত আপনি একমত নে?

(ছ) পৰিকল্পনা কৃতকাৰ্যতাৰ আহিলা নে? যুক্তি দৰ্শাওক

(জ) পৰিকল্পনাৰ জৰিয়তে সকলো সমস্যা সমাধান কৰিব পাৰিনে? যুক্তি।

*****